প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ জেলেনস্কিৰ সৈতে বাৰ্তালাপ (নৱেম্বৰ 09, 2026)

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি মাননীয় শ্ৰী ভল'ডিমিৰ জেলেনস্কিৰ সৈতে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

2. ৰাষ্ট্ৰপতি জেলেনস্কিয়ে চলি থকা সংঘাত সম্পৰ্কীয় শেহতীয়া উন্নয়ন তথা পৰিস্থিতিৰ সন্দৰ্ভত তেওঁৰ দৃষ্টিভংগী ব্যক্ত কৰে।

3. প্ৰধানমন্ত্ৰীয়ে মানৱ-কেন্দ্ৰিক দৃষ্টিভংগীৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতি পুনৰ দোহাৰে আৰু আলোচনা তথা কূটনীতিৰ মাধ্যমেৰে এই সংঘাত সমাধান কৰিব লাগিব বুলি ভাৰতৰ অবিৰত স্থিতিক পুনৰ ব্যক্ত কৰে। প্ৰধানমন্ত্ৰীয়ে সংঘাতৰ শান্তিপূৰ্ণ সমাধানৰ দিশত কৰা সকলো প্ৰচেষ্টাত অৰিহণা যোগাবলৈ ভাৰতৰ প্ৰস্তুতিৰ কথা প্ৰকাশ কৰে।

4. দুয়োপক্ষই দুয়োখন দেশৰ জনসাধাৰণৰ পাৰস্পৰিক লাভৰ বাবে বিভিন্ন খণ্ডত ভাৰত-ইউক্ৰেইনৰ দ্বিপাক্ষিক সহযোগিতা অধিক শক্তিশালী কৰাৰ ব্যৱস্থাসমূহ সম্পৰ্কতো আলোচনা কৰে।

নতুন দিল্লী

09 নৱেম্বৰ, 2026